**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-05-2026 **Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমনাথক ভাৰতীয় সভ্যতাৰ শৌৰ্য আৰু অক্ষত ভক্তিৰ চিৰযুগমীয়া নিদৰ্শন ৰূপে অভিহিত কৰিছে।

২। দেশত পৰৱৰ্তী ৬০ দিনৰ বাবে খাৰুৱা তেল, প্ৰাকৃতিক গেছ আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জানিবলৈ দিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে যোৱা এটা দশকত ভাৰতৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত উৎপাদন ১৭৪ গুণ বৃদ্ধি পাইছে।

৪। জ্যেষ্ঠ বিজেপি নেতা ডং হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ্ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমনাথক ভাৰতীয় সভ্যতাৰ শৌৰ্য আৰু অক্ষত ভক্তিৰ চিৰযুগমীয়া নিদৰ্শন ৰূপে অভিহিত কৰিছে। শ্ৰীমোদীয়ে আজি গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰনিৰ্মাণৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে আয়োজিত সোমনাথ অমৃত মহোৎসৱত অংশগ্ৰহণ কৰি বিশেষ মহাপূজা আগবঢ়োৱাৰ লগতে কুম্ভাভিষেক কাৰ্যসূচীতো অংশ লয়। উল্লেখযোগ্য যে মন্দিৰৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ১১খন তীৰ্থ স্থানৰ পবিত্ৰ পানীৰে জলাভিষেক অনুষ্ঠিত হয়। শ্ৰীমোদীয়ে পতাকা উত্তোলন কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

ভাৰতীয় বায়ুসেনা বাহিনীৰ সূৰ্য্য কিৰণ এৰ'বেটিক্স দলে সোমনাথ মন্দিৰৰ ওপৰেৰে আকৰ্ষণীয় বিমান কৌশল প্ৰদৰ্শন কৰে। হেলিকপ্তাৰৰ পৰা মন্দিৰৰ ওপৰত পুষ্পবৰ্ষণ কৰা হয়। ইয়াৰ পাছতে শ্ৰীমোদীয়ে বিশেষ প্ৰদৰ্শনী দৰ্শন কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে পৱিত্ৰ সোমনাথ মন্দিৰত উৰি থকা ধ্বজে ভাৰতৰ বিশ্বাসৰ জয়কে সূচায় আৰু কোটি কোটি ভাৰতীয়ৰ মনে প্ৰাণে প্ৰবাহিত হৈ থকা ঐশ্বৰিক চেতনাৰ সজাগ সোঁৱৰণৰূপে প্ৰোজ্জ্বল হৈ ৰয়। তেওঁ লগতে কয় যে হাজাৰ হাজাৰ বছৰ আগতে সোমনাথৰ ওপৰত কেইবাবাৰো আক্ৰমণ কৰা হৈছিল।

ইয়াৰপূৰ্বে শ্ৰীমোদী আজি গুজৰাটৰ প্ৰভাস পাটনত উপস্থিত হয় আৰু হেলিপেডত অৱতৰণ কৰাৰ পাছতে হামিৰজী গ'হিল চক্ৰলৈ এক কিলোমিটাৰ জোৰা এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থকা জনগণক উদ্দেশ্যি দিয়া ভাষণত শ্ৰীমোদীয়ে কয় যে সোমনাথ অমৃত মহোৎসৱ কেৱল গৌৰৱময় অতীত

উদযাপনেই নহয়, বৰঞ্চ এই পৰ্ব দেশৰ বাবে হাজাৰ হাজাৰ বছৰলৈ প্ৰেৰণাদায়ক উৎসৰূপে জিলিকি ৰ'ব। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ সৈতে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী হৰ্ষ ছাংভিও উপস্থিত থাকে।

০০০০০০০০০

দেশত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ অভাৱ হোৱা নাই আৰু পৰৱৰ্তী ৬০ দিনৰ বাবে খাৰুৱা তেল, প্ৰাকৃতিক গেছ আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ পৰ্যাপ্ত পৰিমাণে মজুত আছে। নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত পশ্চিম এছিয়া সন্দৰ্ভত অনানুষ্ঠানিক মন্ত্ৰীগোটৰ পঞ্চম সংখ্যক বৈঠকত এই কথা অৱগত কৰা হয়। বৈঠকখনত পশ্চিম এছিয়াৰ সংঘাতৰ শেহতীয়া পৰিঘটনাসমূহ সন্দৰ্ভত আলোচনা কৰাৰ লগতে জনসাধাৰণৰ ওপৰত এই সংঘাতৰ ফলত হোৱাৰ প্ৰভাৱৰ পৰিমাণ ন্যূনতম কৰাৰ বাবে দেশৰ প্ৰস্তুতি শক্তিশালী কৰাৰ উপায়সমূহৰ বিষয়েও আলোচনা কৰে। সংঘাত আৰম্ভ হোৱাৰ সত্তৰ দিনতকৈ অধিক সময় পাছতো বিশ্বৰ এই অস্থিৰতাৰ সময়ছোৱাত পেট্ৰ'লিয়ামৰ মূল্য স্থিৰ হৈ থকা দেশসমূহৰ ভিতৰত অন্যতম হৈছে ভাৰত। ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম তেল শোধনকাৰী আৰু চতুৰ্থ বৃহত্তম পেট্ৰ'লিয়ামজাত সামগ্ৰী ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হৈছে।

জনসাধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত আছে আৰু পশ্চিম এছিয়াৰ এই সংঘাত দীঘলীয়া হ'লে দীৰ্ঘম্যাদী সামৰ্থ্য বিকাশৰ দিশত কাম কৰি থকা হৈছে। চৰকাৰে লগতে কয় যে যোগান ব্যৱস্থাপনাত কোনো ধৰণৰ ব্যাঘাত জন্মা নাই আৰু জনসাধাৰণে আতংকিত হোৱাৰ কোনো প্ৰয়োজন নাই। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱা অনুসৰি তৃণমূল পৰ্যায়ত মন্ত্ৰীসকলক উন্নয়নৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ নাগৰিকসকলক অপ্ৰয়োজনীয় বিদেশ ভ্ৰমণৰ পৰা বিৰত থাকি দেশৰ ভিতৰত ঘৰুৱা পৰ্যটনৰ পৰিমাণ বৃদ্ধি কৰিবৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে, হায়দৰাবাদত কালি এটা জনসমাৱেশত দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ জনসাধাৰণক এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ, পেট্ৰ'ল আৰু ডিজেলৰ ব্যৱহাৰত মিতব্যয়ী হ'বলৈ আৰু বিদেশী মুদ্ৰা জমা ৰাখিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কৃষকসকলক ৰাসায়নিক সাৰৰ ব্যৱহাৰ ৫০ শতাংশ হ্ৰাস কৰি প্ৰাকৃতিক কৃষি পদ্ধতিৰ দিশত আগবাঢ়িবলৈ, মাটিৰ স্বাস্থ্য সুৰক্ষিত কৰাত সহায় কৰিবলৈ, আমদানিৰ ক্ষেত্ৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ আৰু কৃষিক্ষেত্ৰত ডিজেল পাম্পৰ পৰিৱৰ্তে সৌৰশক্তিচালিত জলসিঞ্চন পাম্প ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, অশ্বিনী বৈষ্ণৱ, হৰদীপ সিং পুৰী, কিৰেণ ৰিজিজু, সৰ্বানন্দ সোণোৱাল, কে ৰামমোহন নাইডু আৰু ড০ জিতেন্দ্ৰ সিং আজিৰ বৈঠকখনত উপস্থিত থাকে।

০০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে যোৱা এটা দশকত ভাৰতৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত উৎপাদন ১৭৪ গুণ বৃদ্ধি পাইছে। বৰ্তমান এই উৎপাদন প্ৰায় ১ লাখ কোটি হোৱাৰ লগতে প্ৰতিৰক্ষা ৰপ্তানি ৩৪ গুণ বৃদ্ধি পাইছে। নতুন দিল্লীত আজি অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱসৰ কাৰ্যসূচীত ভাষণ দি ড০ সিঙে ৰাজহুৱা-ব্যক্তিগত সম্পৰ্ক অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে ২০১৪ বৰ্ষত দেশত মাত্ৰ ৩৫০টা ষ্টাৰ্ট আপ আছিল যদিও বৰ্তমান এই সংখ্যা ২ লাখতকৈও অধিক বৃদ্ধি পাইছে।

প্ৰধান বৈজ্ঞানিক উপদেষ্টা অধ্যাপক অজয় কুমাৰ সুডে কয় যে ১৯৯৮ চনৰ আজিৰ দিনটোতে ভাৰতে পোখৰাণত নিজকে স্বাৱলম্বী বৈজ্ঞানিক শক্তি হিচাপে বিশ্ববাসীৰ আগত ঘোষণা কৰিছিল। ই কেৱল কৌশলগত সামৰ্থ্যৰ বিষয়েই নহয়, বৰঞ্চ ভাৰতীয় বিজ্ঞানৰ গভীৰতা, ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ সাহসক উৎসাহিত কৰা এটা বিবৃতি।

উল্লেখযোগ্য যে ১৯৯৮ চনৰ পোখৰানৰ পাৰমাণৱিক পৰীক্ষা, অৰ্থাৎ অপাৰেচন শক্তিৰ সাফল্য উদযাপনৰ বাবে দেশত আজি এই দিৱস পালন কৰা হৈছে। তদানিন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ১৯৯৯ চনত কৰা ঘোষণা অনুসৰি প্ৰতিবছৰে ১১ মে'ত এই দিৱস পালন কৰি অহা হৈছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই দিৱস উপলক্ষে দেশৰ বিজ্ঞানী, অভিযন্তা, উদ্ভাৱক আৰু গৱেষক সকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোডীয়ে কয় যে এই দিনটোতে ভাৰতে ১৯৯৮ চনত পোখৰাণ পাৰমাণৱিক পৰীক্ষা সফলতাৰে সম্পন্ন কৰা দেশৰ বিজ্ঞানী সকলৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ কথা গৰ্বৰে স্মৰণ কৰে।

ooooooooo

জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী শ্ৰীমোদী আজি নিশা গুৱাহাটীত উপস্থিত হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা ২২ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমক জনাইছে। কেইবাখনো দেশৰ বিশিষ্ট উদ্যোগপতি, ৰাষ্ট্ৰদূত, সত্ৰাধিকাৰ, দলৰ কাৰ্যকৰ্তা আৰু বুথ সমিতিৰ সভাপতিসকলো উপস্থিত থাকিব বুলি তেওঁ মন্তব্য কৰে।

শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যান-বাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কোষ্টাৰিকাত দেশখনৰ বিজ্ঞান, উদ্ভাৱন, প্ৰযুক্তি আৰু দূৰসংযোগ মন্ত্ৰী পওলা ব'গাণ্টেছ জম'ৰাৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমাৰ্ঘেৰিটাই এই বৈঠকত দুয়োখন দেশৰ মাজত থকা সম্পৰ্কক অধিক কটকটীয়া কৰিব পৰাকৈ বিভিন্ন কৌশলৰ বিষয়ে আলোচনা কৰা হয় বুলি প্ৰকাশ কৰিছে। কোষ্টাৰিকাত থকা ভাৰতীয় ব্যৱসায়ীসকলক সহযোগ কৰাৰে পৰা সামৰ্থ্য বিকাশ আৰু দ্ৰুত প্ৰভাৱশালী প্ৰকল্প ৰূপায়ণকে ধৰি বহুকেইটা বিষয় সন্দৰ্ভত দুয়োগৰাকী নেতাই আলোচনা কৰা বুলিও শ্ৰীমাৰ্ঘেৰিটাই জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে শ্ৰীমাৰ্ঘেৰিটাই ক'স্তাৰিকাৰ বিদেশ মন্ত্ৰী মেনুৱেল ট'ভাৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ বাৰ্তা যোগে শ্ৰী মাৰ্ঘেৰিটাই কয় যে, এই বৈঠকত ভাৰত আৰু ক'স্তাৰিকাৰ দ্বিপাক্ষিক

সহযোগিতা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু ক'স্তাৰিকাই বহুপাক্ষিকতা,গণতন্ত্ৰ আৰু নীতি নিৰ্ভৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ সপক্ষে উমৈহতীয়া প্ৰমূল্য বিনিময় কৰি আহিছে।

ooooooooo

ভাৰতীয় ষ্টেট বেংকে আজি প্ৰকাশ কৰা গৱেষণা প্ৰতিবেদন অনুসৰি ২০২৬-২৭ বিত্তীয় বৰ্ষত দেশৰ অৰ্থনীতিৰ বিকাশ ৬.৬ শতাংশলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। প্ৰতিবেদন অনুসৰি দেশৰ মুঠ ঘৰুৱা উৎপাদন বিগত বিত্তীয় বৰ্ষৰ শেষৰটো ত্ৰৈমাষিকত ৭.২ শতাংশ আছিল। বিশ্বজুৰি সৃষ্টি হোৱা বিৰূপ পৰিস্থিতিৰ মাজতো ভাৰতে শক্তিশালী স্থিতি বৰ্তাই ৰখা বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি কিছু সময়ৰ পাছতে দেলহি কেপিটেলছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ধৰমশালাত এইছ্ পি চি এ ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। টছত জিকি দেলহি কেপিটেলছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

ooooooooo

সমাপ্ত